# এজন ৰোমীয় সেনাপতি আৰু তেওঁৰ বন্ধুবৰ্গই যীচুক জানিবলৈ এটি দলে সহায় কৰিছিল

তলত দিয়া লৰা-ছোৱালীৰ যিকোনো কাম **বাচি লওক**।

**প্ৰাৰ্থনা** ঃ "প্ৰিয় প্ৰভু, আপোনাৰ আৰু আন লোকৰ পৰিচৰ্য্যা কৰোঁতে একেলগে কাম কৰিবলৈ, আৰু পৰস্পৰে প্ৰেমত সহায় কৰিবলৈ, আমাৰ লৰা-ছোৱালীক অনুগ্ৰহ কৰি সহায় কৰক।"

**এটি ডাঙৰ লৰা/ছোৱালী অথবা শিক্ষকক পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়** পঢ়িবলৈ অথবা ৰোমীয় সেনাক চলাই নিয়া এজন সেনাপতি, কৰ্নীলিয়ৰ বিষয়ে কবলৈ দিয়ক। এই কাহিনীয়ে পৰজাতি বিশ্বাসীবিলাকৰ প্ৰথম মণ্ডলী আৰম্ভ কৰিবলৈ একেলগে কাম কৰিছিল। *(প্ৰত্যেক প্ৰশ্নৰ পিছতে উত্তৰবোৰ দিয়া আছে।)*

- কৰ্নীলিয় কি ধৰণৰ লোক আছিল? *(২ পদ চাওক)*
- কৰ্নীলিয়ক যীচুৰ বিষয়ে কবলৈ পিতৰৰ লগত দলৰ কোন কোন সভ্য গৈছিল? *(২৩ পদ চাওক)*
- পৰজাতিবিলাকৰ প্ৰতি পিতৰৰ ভাবধাৰাৰ সম্পৰ্কে, এটি দৰ্শনৰ দ্বাৰাই পিতৰক ঈশ্বৰে কি শিক্ষা দিছিল? *(২৮ পদ চাওক)*
- শুভবাৰ্ত্তা শুনিবলৈ কৰ্নীলিয়ৰ লগত কোন বৈ আছিল? *(২৪ পদ)*
- কৰ্নীলিয় আৰু তেওঁৰ গোটৰ ওপৰলৈ কিমান সোনকালে পবিত্ৰ আত্মা নামিল? *(৪৪ পদ)*
- কিমান সোনকালে তেওঁলোক বাপ্তাইজিত হৈছিল? *(৪৮ পদ)*



পাঁচনিৰ কৰ্ম্ম ১০ অধ্যায়ৰ পৰা পিতৰ আৰু কৰ্নীলিয়ৰ গল্পৰ **নাট কৰক**।

- লৰা-ছোৱালীয়ে নাটখন পৰিবেশন কৰিবলৈ প্ৰধান উপাসনাৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- নাটৰ গোটেই অংশ আপুনি নকৰিলেও হব।
- নাট প্ৰস্তুত কৰোঁতে লৰা-ছোৱালীৰ লগত আপোনাৰ সময় ব্যৱহাৰ কৰক।
- নাট প্ৰস্তুত কৰোঁতে ডাঙৰ বিলাকে সৰুবোৰক সহায় কৰক।
- **ডাঙৰ লৰা-ছোৱালী** আৰু বয়স্থ সকলে **বৰ্ণনাকাৰী, কৰ্নীলিয়, পিতৰ** আৰু **ঈশ্বৰৰ মাতৰ** ভাও লওক। ঈশ্বৰৰ মাতে এখন জাপি থোৱা বিচনা চাদৰ ধৰি ৰাখক
- **সৰু লৰা-ছোৱালীয়ে** পিতৰৰ দৰ্শনৰ **জন্তুবোৰ, বিশ্বাসীসকল** আৰু দুজন **সেনাৰ** ভাও লওক। যাঠি বুজাবলৈ সেনা দুজনে লাঠি হাতত ৰাখক।
- নাট চাই থকা লোক সকলক কৰ্নীলিয়ৰ বন্ধু হওক।

**বৰ্ণনাকাৰী** ঃ পাঁচনিৰ কৰ্ম্ম ১০:১-৮ পদৰ পৰা কাহিনীৰ প্ৰথম ভাগ কওক। এতিয়া কয়, "কৰ্নীলিয়ই নীৰৱে প্ৰাৰ্থনা কৰিছে। ঈশ্বৰে তেওঁক কি কৈছে শুনক।"

**ঈশ্বৰৰ মাত** ঃ "কৰ্নীলিয়, মই তোমাৰ প্ৰাৰ্থনা শুনিলোঁ। তুমি মোৰ পৰিচৰ্য্যা কৰা মই দেখিছোঁ। যোৱা, মোৰ দাস, পিতৰক বিচাৰা।"

**বৰ্ণনাকাৰী** ঃ পাঁচনিৰ কৰ্ম্ম ১০:৯-২৩ পদৰ পৰা কাহিনীৰ দ্বিতীয় ভাগ কয়। এতিয়া কওক, "পিতৰে নীৰৱে প্ৰাৰ্থনা কৰিছে। ঈশ্বৰে তেওঁক কি কৈছে শুনক।"

**ঈশ্বৰৰ মাত** ঃ আটাইয়ে দেখা পোৱাকৈ বিচনা চাদৰখন দাঙি ধৰক। এতিয়া মজিয়াত পাৰি দিয়ক। এতিয়া কওক, "পিতৰ, তুমি ভোকাতুৰ বুলি মই জানোঁ। এই জন্তুবোৰ মাৰি খোৱা।"

**জন্তুবিলাক** ঃ হাত আৰু আঠুঁপাৰি চাদৰ খনত বগাই ফুৰে। কিছুমানে গাহৰিৰ মাতৰ দৰে ডাঙৰকৈ মাতে। আন কিছুমানে সাপৰ দৰে হিচ্ হিচায়।

**পিতৰ** ঃ "প্ৰভু! মই নোৱাৰোঁ। সাপ আৰু গাহৰি খালে আমাৰ যিহূদী ৰীতি-নীতি ভঙ্গ হ'ব।"

**ঈশ্বৰৰ মাতঃ** “ঈশ্বৰে যিহকে শুচি কৰিলে তাক তুমি বৰ্জিত নুবুলিবা। মাৰি খোৱা।”

**পিতৰ আৰু ঈশ্বৰৰ মাত ঃ** অশুচি মাংস খাব নোৱাৰে বুলি পিতৰে দুবাৰ কলে আৰু প্ৰত্যেক বাৰে ঈশ্বৰৰ মাতে কলে, “মই জন্তুবোৰ শুচি কৰিলোঁ। মাৰি খোৱা।

**সেনাবিলাকঃ** পিতৰৰ ওচৰলৈ যায় আৰু কয়, “কৈচৰিয়াত থকা কৰ্নীলিয়ৰ ঘৰলৈ আহক!”

**পিতৰঃ** “কৰ্নীলিয়ৰ দৰে এজন পৰজাতিৰ ঘৰত সোমাবলৈ যদিও মোৰ সংস্কৃতিয়ে নিষেধ কৰে, ঈশ্বৰে মোক তোমাৰ লগত যাবলৈ কৈছে। ভিতৰলৈ আহাঁ আৰু ৰাতিটো কটোৱা।”

**বিশ্বাসীসকলঃ** “পিতৰ আমিও যীচুত বিশ্বাস কৰা হেতুকে, আহাঁ, আমিও কৈচৰিয়ালৈ যাওঁ আৰু আপোনাক সহায় কৰোঁ।”

**বৰ্ণনাকাৰী ঃ** পাঁচনিৰ কৰ্ম্ম ১০:২৪-৪৮ পদৰ পৰা কাহিনীৰ তৃতীয় ভাগ কওক।

এতিয়া কয়, “এই নাট চাই থকা আপোনালোক আটাইয়ে কৰ্নীলিয়ৰ পৰিয়াল আৰু বন্ধুবৰ্গক বুজাইছে। পিতৰে কি কৈছে, শুনক।”

**পিতৰঃ** “কৰ্নীলিয়, যীচুৰ বিষয়ে কবলৈ আপোনাক আমালৈ পঠোৱা হৈছে। ঈশ্বৰে আপোনাক আৰু আপোনাৰ সংস্কৃতিক গ্ৰহণ কৰা, ঈশ্বৰে মোক দৰ্শনত দেখুৱাইছে। আপোনাক ৰক্ষা কৰিবলৈ যীচু মৰিল আৰু পুনৰুত্থিত হ’ল!”

**কৰ্নীলিয়ঃ** “পবিত্ৰ আত্মাই আমাক প্ৰত্যয় নিয়াইছে যে আমি পাপী আৰু আমাক যীচুৰ প্ৰয়োজন!”

**পিতৰঃ** কৰ্নীলিয়ৰ বন্ধুবৰ্গলৈ আঙুলিয়াই (নাট চাই থকা আটাই মানুহবিলাকলৈ)। কয়, চোৱা ভাইসকল, তেওঁলোকে পবিত্ৰ আত্মা পাইছে! আহাঁ, তেওঁলোকক বাপ্তিস্ম দিওঁহঁক!”

**বৰ্ণনাকাৰী** অথবা ডাঙৰ লৰা ঃ সহায় কৰা আটাইকে ধন্যবাদ জনায়।

**যদিহে লৰা-ছোৱালীয়ে নাটখন** বয়স্থ সকলৰ নিমিত্তে কৰিছে, তেন্তে ওপৰৰ তালিকাত থকা প্ৰশ্নবোৰ সুধিবলৈ কওক।



এটা গাহৰিৰ এখন **ছবি আঁকা**। লৰা-ছোৱালীক এই ছবি নকল কৰিবলৈ দি পিছৰ উপাসনাৰ সময়ত বয়স্থ সকলক দেখুৱাবলৈ দিয়ক। তেওঁলোকে এই কথা ব্যাখা কৰিব পাৰে যে, তেওঁলোকে যিকোনো বস্তুকে নাখাওক কিয়, ঈশ্বৰে ৰক্ষা কৰিবলৈ সকলো সংস্কৃতিৰ লোককে মাতে।

অন্য সংস্কৃতি অথবা জাতিৰ লগত যীচুৰ বিষয়ে কবলৈ টান পোৱা আন উদাহৰণ বিলাক **লৰা ছোৱালীক দিবলৈ কওক**।

ডাঙৰ লৰা-ছোৱালীয়ে ৰোমীয় সেনাৰ এখন ছবি আঁকিব পাৰে (এই অধ্যয়নৰ প্ৰথম পৃষ্ঠা চাওক) তেওঁলোকক সুধঁৰাবলৈ কেনেকৈ কৰ্নীলিয়, এগৰাকী ভদ্ৰলোকে বিশ্বাস কৰিছিল আৰু তেওঁৰ বন্ধু সকলক যীচুৰ বিষয়ে শুনিবলৈ সহায় কৰিছিল।

**মুখস্থ কৰক,** ২ বংশাৱলী ১৬:৯ (প্ৰথম খণ্ড)ঃ “কিয়নো, যিহোৱালৈ যিবিলাকৰ মন সিদ্ধ, সিবিলাকৰ পক্ষে নিজকে বলৱান দেখুৱাবৰ নিমিত্তে, তেওঁৰ চকু পৃথিবীৰ চাৰিওফালে ভ্ৰমণ কৰে।”

**কবিতা,** গীতমালা ৬৭:১, ২, ৩ আৰু ৪ পদ কেইটা চাৰি গৰাকী লৰা-ছোৱালীক মুখস্থ মাতিবলৈ দিয়ক।

দলগত হৈ আমি কিদৰে কাম কৰিব আৰু অন্য সংস্কৃতিৰ লোকক যীচুৰ বিষয়ে কব পাৰোঁ, সেই বিষয়ে ডাঙৰ লৰা ছোৱালীক কবিতা, গীত অথবা এখনি চুটি নাট লিখিবলৈ কওক।

**প্ৰাৰ্থনা ঃ** “প্ৰভু, আটাই জাতিৰ লোকক পাপ আৰু মৃত্যুৰ পৰা ৰক্ষা কৰাৰ কাৰণে আপোনাৰ প্ৰশংসা কৰোঁ। যদিও তেওঁলোক আমাৰ পৰা পৃথক সংস্কৃতিৰ, তেওঁলোকক প্ৰেম কৰিবলৈ আৰু যীচুৰ বিষয়ে কবলৈ আমাক সহায় কৰক।”

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.